# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-09-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

কেন্দ্ৰীয় চৰকাৰে অতিৰিক্ত ২ কোটি পৰিয়ালক গৃহ প্ৰদানৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণ আঁচনিখন আৰু ৫ বছৰৰ বাবে বৃদ্ধি কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৫ ছেপ্তেম্বৰত ঝাৰখণ্ডৰ জামছেদপুৰত দ্বিতীয় পৰ্যায়ৰ পি এম এ ৱাই জি আঁচনি মুকলি কৰিব। দেশৰ ১০ লাখ হিতাধিকাৰীক প্ৰথম কিস্তিৰ ধন প্ৰদানৰ লগতে ২৬ লাখ সম্পূৰ্ণ হোৱা পি এম এ ৱাই জিৰ গৃহ প্ৰৱেশ অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে অংশ ল'ব। এই আঁচনিৰ জৰিয়তে অসমত ১ লাখ ৭১ হাজাৰ ৫৯৩ টা নতুন গৃহ আৱণ্টন কৰা হৈছে। আবণ্টিত গৃহৰ বাবে ৰাজ্যৰ হিতাধিকাৰীসকলে ১৫ ছেপ্তেম্বৰত প্ৰথম কিস্তিৰ ধন লাভ কৰিব। দেশৰ অন্য প্ৰান্তৰ লগতে ৰাজ্যতো ১ লাখৰো অধিক সম্পূৰ্ণ হোৱা পি এম এ ৱাই জি ঘৰৰ বাবে গৃহ প্ৰৱেশ অনুষ্ঠানৰ আয়োজন কৰা হ'ব। উল্লেখযোগ্য যে অসমত যোৱা ৩ বছৰৰ ভিতৰত ১৫ লাখ ১৩ হাজাৰৰো অধিক গৃহৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। পি এম এ ৱাই জিৰ বাবে হিতাধিকাৰীসকলক স্থায়ী অপেক্ষা তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে নতুন সমীক্ষা আৰম্ভ কৰিবলৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে নতুন আবাস প্লাছ্ জৰীপৰো শুভাৰম্ভ কৰিব।

ooooo

বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰমোদ বড়োৱে সমগ্ৰ এলেকাটোৰ শান্তি স্থাপনৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি মত প্ৰকাশ কৰিছে। ২০২০ চনত পৰিষদীয় এলেকাৰ শাসনৰ দায়িত্বত অহাৰ পাছত তেওঁৰ চৰকাৰে শান্ত, সেউজ আৰু স্মাৰ্ট বি টি আৰ গঠনৰ উদ্দেশ্যে ভালেমান নীতি নিৰ্ধাৰণ কৰি পৰিকল্পনা গ্ৰহণ কৰিছিল। অঞ্চলটোত প্ৰাকৃতিক পৰিৱেশ আৰু জৈৱ বৈচিত্ৰ ৰক্ষাৰ জৰিয়তে অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ যোগেদি ৩৫ খন ধবজাবাহী আঁচনিৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি আকাশবাণীৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত বিটিআৰ প্ৰধানগৰাকীয়ে জানিবলৈ দিয়ে। ইপিনে, সেউজ অভিযানৰ আৰম্ভণিৰে ৰাইমানা ৰাষ্ট্ৰীয় উদ্যানৰ ৪৪ বৰ্গ কিলোমিটাৰ এলেকা পুনৰ বনানিকৰণ কৰি উদ্যানখনক আকৌ ৰাষ্ট্ৰীয় উদ্যান হিচাপে গঢ়ি তুলিবলৈ সমৰ্থ হৈছে বুলিও তেওঁ প্ৰকাশ কৰে। এই সেউজ অভিযানৰ অধীনতে সমগ্ৰ বি টি আৰ এলেকাত প্লাষ্টিকৰ পৰা হোৱা সকলোধৰণৰ প্ৰদূষণ ৰোধৰ বাবে এটা বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তদুপৰি খৰালি যাতে মাটিৰ তলৰ পানীৰ স্তৰ অধিক তললৈ নামি যাব নোৱাৰে, তাৰবাবে পানীৰ উৎস বা বৰষুণৰ পানীৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰি পানীৰ স্তৰ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ কয়। সু-প্ৰশাসনৰ বাবে তৃণমূল পৰ্যায়ৰ পৰা সচিবালয় পৰ্যন্ত সকলো কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে স্মাৰ্ট বি টি আৰ অভিযান আৰম্ভ কৰা হৈছে বুলি উল্লেখ কৰি এইক্ষেত্ৰত সফল হ'বৰ বাবে সময়ে সময়ে পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰা হয় বুলি বড়োৱে প্ৰকাশ কৰে। বড়োলেণ্ড চায়েন্স মিছন, যুথ এমপ্লইমেণ্ট মিছন আদি আঁচনিৰ জৰিয়তে পৰিষদীয় এলেকাৰ যুৱক-যুৱতীসকলৰ বিভিন্ন ক্ষেত্ৰত দক্ষতা

বৃদ্ধিৰ বাবে ২৫ খন মহাবিদ্যালয়ত বিনামূলীয়াকৈ প্ৰশিক্ষণ আৰু কোচিঙৰ ব্যৱস্থা কৰা হৈছে বুলি প্ৰমোদ বড়োৱে জানিবলৈ দিয়ে।

০০০০০

নিযুক্তি পৰীক্ষাত অসৎ উপায় প্ৰতিৰোধ তথা স্বচ্ছ আৰু নিকা নিযুক্তি প্ৰক্ৰিয়া নিশ্চিতকৰণৰ অৰ্থে অসম চৰকাৰে অসম লোক পৰীক্ষা (নিযুক্তি প্ৰক্ৰিয়াত অসৎ উপায় প্ৰতিৰোধী ব্যৱস্থা) আইন ২০২৪ গ্ৰহণ কৰিছে। এই আইনৰ উদ্দেশ্য হৈছে নিয়োগৰ বাবে অনুষ্ঠিত ৰাজ্য চৰকাৰ, স্বায়ত্ত শাসিত সংস্থা অথবা কৰ্তৃপক্ষ, পৰিষদ অথবা নিগমৰ অধীনৰ পৰীক্ষাত স্বচ্ছতা নিশ্চিতকৰণ, পৰীক্ষাৰ পূৰ্বে প্ৰশ্নকাকত ফাদিল কৰা, নিজৰ লগত ৰখা, বিক্ৰী কৰা, সমাধান কৰা, প্ৰশ্নকাকত খোলা আৰু পৰীক্ষাৰ সময়ত সহায় কৰা আদিৰ দৰে অসৎ উপায় নিষিদ্ধকৰণ, পৰীক্ষা প্ৰক্ৰিয়া পৰিচালনাৰ ক্ষেত্ৰত স্বচ্ছতা তথা নিৰপেক্ষতাৰ প্ৰতিশ্ৰুতিৰ লগতে প্ৰশ্নকাকত সম্পৰ্কীয় গোপন তথ্যৰ প্ৰচাৰ প্ৰতিৰোধ। এই আইন অমান্য কৰা পৰীক্ষাৰ্থীসকলৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। পৰীক্ষাত নকল কাৰ্যত লিপ্ত পৰিক্ষাৰ্থীসকলক তিনি বছৰ পৰ্যন্ত কাৰাদণ্ড বিহাৰ লগতে ন্যূনতম ১ লাখ টকা জৰিমনা বিহা হ'ব। জৰিমণা আদায় দিব নোৱাৰিলে ৯ মাহ কাৰাদণ্ড বিহা হ'ব। কুচক্ৰ আৰু নকল কাৰ্যত লিপ্ত পৰীক্ষাৰ্থীসকলক ১০ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু ১০ কোটি টকা পৰ্যন্ত জৰিমনা বিহা হ'ব। নকল কাৰ্যত লিপ্ত বুলি প্ৰমাণিত হ'লে ভৱিষ্যতে পৰীক্ষাৰ্থীয়ে দুবছৰৰ বাবে কোনো নিযুক্তি পৰীক্ষা দিব নোৱাৰাৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, কুচক্ৰ আৰু নকল কাৰ্যত জড়িত পৰীক্ষকক ১০ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু ১০ কোটি টকা পৰ্যন্ত জৰিমনা বিহাৰ লগতে পৰীক্ষণ কৰ্তৃপক্ষৰ সৈতে কুচক্ৰত জড়িত থকাসকলৰ অসৎ পন্থাৰে আৰ্জিত সা-সম্পত্তি বাজেয়াপ্তকৰণ কৰা হ'ব। ঠিক সেইদৰে পৰীক্ষাৰ ব্যৱস্থাপক যদি দোষী সাব্যস্ত হয় তেতিয়া হ'লে বিশেষ আদালতে নিৰ্ধাৰণ কৰি দিয়া অনুসৰি পৰীক্ষা বিষয়ক সকলো খৰচ সংশ্লিষ্ট সন্থাটোৱে বহন কৰাৰ লগতে ইয়াক নিষিদ্ধ ঘোষণা কৰা হ'ব।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান অহা ১ অক্টোবৰৰ পৰা পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। জীপ ছাফাৰীৰে আৰম্ভ হ'বলগীয়া চলিত পৰ্যটন বৰ্ষত প্ৰথমবাৰৰ বাবে পৰ্যটকসকলে বুঢ়াপাহাৰ বনাঞ্চলখন উপভোগ কৰিবলৈ পূৰ্বতকৈ অধিক সময় লাভ কৰিব। পৰ্যটকসকলে ৰাষ্ট্ৰীয় উদ্যানখনৰ কঁহৰা, বুঢ়াপাহাৰ আৰু বাগৰি বনাঞ্চলৰ কিছু অংশ উপভোগ কৰিব পাৰিব বুলি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে। পৰ্যটন বৰ্ষটোত কঁহৰা বনাঞ্চলত মিহিমুখৰ পৰা ডাফলাং হৈ ভৈচামাৰীলৈ পৰ্যটকে জীপ ছাফাৰী কৰিব পাৰিব। আনহাতে বাগৰি বনাঞ্চলত বিমলী তিনিআলিৰ পৰা ডোঙা হৈ জীপ ছাফাৰীৰ অনুমতি প্ৰদান কৰাৰ লগতে বুঢ়াপাহাৰ বনাঞ্চলত মুখ্য কাৰ্যালয়ৰ পৰা ডিফলু এপিচিলৈকে পৰ্যটকসকলে জীপ ছাফাৰী কৰিব পাৰিব। কাজিৰঙা পৰ্যটনৰ আন এক উল্লেখনীয় সমল নদী পৰ্যটনো ১ অক্টোবৰতে উদ্যান কৰ্তৃপক্ষই মুকলি কৰিব। শেহতীয়াকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগমনৰ পাছত উদ্যান কৰ্তৃপক্ষই ৰাষ্ট্ৰীয় উদ্যানখনত পৰ্যটকৰ সংখ্যা বৃদ্ধি হ'ব বুলি আশা প্ৰকাশ কৰিছে। উদ্যানখনৰ সঞ্চালিকাই জানিবলৈ দিয়া অনুসৰি বাট-পথৰ মেৰামতি হৈ থকাৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখন আংশিকভাৱে মুকলি কৰা হ'ব। অহা ১ নৱেম্বৰত অন্যতম আকৰ্ষণ হাতী ছাফাৰীৰে ৰাষ্ট্ৰীয় উদ্যানখন পূৰ্ণ পৰ্যায়ত পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব।

০০০০০

সমাপ্ত